(চ) ডিচপেনচেৰী খনত নিতৌ আৱশ্যকীয় ঔষধ পাতি আৰু আৱশ্যকীয় সা-সজুলিবোৰৰ সু-ব্যৱস্থা আছে নে ?

(ছ) ডিচপেনচেৰী খনৰ ঘৰ-দুৱাৰ আৰু ডাক্তৰ, নাৰ্চ আদি আৰু সা-সজুলী সুবিধা বোৰ বঢ়াই এখন উন্নত চিকিৎসালয়লৈ উন্নতি কৰিবৰ কাৰণে স্থানীয় ৰাইজে চৰকাৰৰ ওচৰত নিবেদন কৰি আছে নে আৰু যদি আছে তেন্তে উন্নত নকৰাৰ কাৰণ কি ?

শ্ৰীচন্দ্ৰসিং টেৰণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫। (ক)—দেৰগাওঁ ষ্টেটট ডিচপেনচেৰী খনৰ ঘৰ-দুৱাৰ লোকেল বৰ্ডে নিৰ্ম্মান কৰাৰ কাৰণে কেতিয়া নিৰ্ম্মান কৰা হৈছিল সঠিক জনা নাযায়।

(খ)—দেৰগাওঁ ষ্টেটট ডিচপেনচেৰী খন অন্য ডিচপেনচেৰী বিধৰ।

(গ)—অন্য ষ্টেট ডিচপেনচেৰীত থকাৰ নিচিনা চিকিৎসাৰ সা-সুবিধা আছে।

(ঘ)—এজন ডাক্তৰ, এজন ফাৰ্মাচিষ্ট আৰু এজন চৌকিদাৰ আছে। ইয়াত চলি থকা Maternity Child welfare Centre ত দুই জন mid-wives আছে।

(ঙ) দেৰগাওঁ ডিচপেনচেৰীত দেৰগাওঁ অঞ্চলৰ জনসংখ্যাৰ চিকিৎসাৰ ব্যৱস্থা আছে।

(চ)—আছে।

(ছ) দেৰগাওঁ চিকিৎসালয়ৰ ঘৰ দুৱাৰ বঢ়োৱাৰ কাৰণে ১৪।৭।৭৩ ত এখন আঁচনি মঞ্জুৰ কৰা হৈছে।

## বিঃ জাপৰি পথাৰ বেদখল

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

৬ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমা অন্তৰ্গত কাজিৰঙ্গা চেনচুৰি কাষতে থকা জাপৰি পথাৰ নামৰ কুৰতী পথাৰখনত কাজিৰঙ্গা আৰু বোকাখটৰ কিছুমান প্ৰভাৱশালী চাকৰিয়াল লোক আৰু ৰাজহুৱা নেতৃস্থানীয় লোকে বেদখল কৰি আছে সচানে ?

(খ) এনেকুৱাকৈ বেদখল কৰা লোকসকলে উক্ত ঠাইত ৫০ বিঘাৰ পৰা ২০০ বিঘা পৰ্য্যন্ত মাটিত খেতি কৰি আছে সঁচানে ?

(গ)—যদি সঁচা হয়, তেন্তে চৰকাৰে ইয়াৰ কি ব্যৱস্থা লৈছে ?

(ঘ)—এই পথাৰখনৰ মাটিখিনি যদি প্ৰকৃততে খেতিয়েই কৰাৰ চৰকাৰৰ ইচ্ছা তেনেহলে এই মাটি খিনি প্ৰকৃততে মাটিহীন দুখীয়া গৰা খহনীয়া বান প্ৰপীড়িত আৰু জনজাতি অনুসুচীত জাতি আৰু পিছপৰা লোকক দিয়াৰ ব্যৱস্থা কৰা হবনে ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬। (ক)—সঁচা নহয়।

(খ), (গ) আৰু (ঘ) -এই প্ৰশ্ন নুঠে।

## বিঃ কৃষি পাম নিগম

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৩ আৰু ১৯৭৪ চনৰ ভিতৰত ৰাজ্যখনত মুঠ কিমানখন কৃষি পাম নিগম প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত চৰকাৰে লৈছে আৰু এই 'কৃষি পাম নিগম' কিখন কি কি আৰু কোন কোন ঠাইৰ অন্তৰ্ভুক্ত।

(খ) ৰাজ্যখনত প্ৰতিষ্ঠিত আৰু প্ৰস্তাৱিত 'কৃষি পাম নিগম' বোৰত অংশীদাৰ সকলে থকা মেলাৰ ঘৰ-দুৱাৰ নিজা নিজা খুচি আৰু ৰুচি মতে সাজি মেলি লব পাৰিবনে নাই চৰকাৰী কোনো আৰ্হি বা প্ৰণালীৰ মাধ্যমেৰেহে ঘৰ-দুৱাৰবোৰ সাজি মেলি লব পাৰিব ?

(গ) কৃষি পাম নিগম বাসী ৰাইজে যদি নিজৰ নিজৰ ৰুচি আৰু খুচি মতে থকা মেলাৰ ঘৰ-দুৱাৰবোৰ সাজি মেলি লয় তেন্তে অন্ততঃ কিমান টকাৰ মূল্যৰ ঘৰ-দুৱাৰ সজাত খৰচ কৰিব পাৰিব আৰু চৰকাৰে যদি আৰ্হি প্ৰণালী দিয়ে তেন্তে অন্ততঃ কিমান টকাৰ খৰচৰ ঘৰ-দুৱাৰ লব পৰাৰ নিয়ম কৰা হৈছে ?

শ্ৰীউপেন্দ্ৰ দাস (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৭। (ক)—১৯৭৩-৭৪ চনৰ ভিতৰত ৰাজ্যখনত মুঠ ১০ (দহ) খন কৃষি পাম নিগম প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত চৰকাৰে লৈছে। এই কৃষি পাম নিগম কেইখনৰ নাম

আৰু কোন কোন ঠাইৰ অন্তভুক্ত তলত দিয়া হল :—

১। পানবাৰী কৃষি পাঃ নিঃ গোলাগাট মহকুমাত।

২। পূবেৰুণ কৃঃ পাঃ নিঃ—ডিব্ৰুগড় মহকুমাত।

৩। বগীনদী কৃঃ পাঃ নি:—উত্তৰ লক্ষীমপুৰ।

৪। ভাবধৰা কৃঃ পাঃ নিঃ—শিৱসাগৰ।

৫। পূৰ্ব্বজ্যোতি কৃঃ পাঃ নিঃ=তেজপুৰ মহকুমাত।

৬। বহলপুৰ কৃঃ পা: নি:—ধুবুৰী মহকুমাত।

৭। শিলপোটা কৃঃ পাঃ নিঃ—কোকৰাঝাৰ মহকুমাত।

৮। পানবাৰী কৃ; পাঃ নিঃ—মঙ্গলদৈ মহকুমাত।

৯। মৰিগাওঁ কৃঃ পা: নিঃ—মৰিগাওঁ মহকুমাত।

১০। মাচিয়া কৃঃ পা: নিঃ - গোৱালপাৰা মহকুমাত।

(খ)—ৰাজাখনত প্ৰতিষ্ঠিত আৰু প্ৰস্তাৱিত কৃষি পাম নিগমবোৰত খেতিয়ক অংশীদাৰ সকলে থকা মেলাৰ ঘৰ-দুৱাৰৰ আৰ্হি অনুযায়ী নিৰ্ম্মাণ কৰাৰ আঁচনি লোৱা হৈছে। কোনো কোনো ক্ষেত্ৰত পূৰ্ব্বৰ পৰা অৱস্থিত ঘৰ-দুৱাৰৰ বেলিকা সদ্যহতে সেইবোৰ ঘৰ-দুৱাৰ ভাঙি পুননিৰ্ম্মাণ কৰাৰ আৱশ্যকতা বোধ কৰা নাই।

(গ`—আৰ্থিক বিষয়ত যোগ্য বিবেচিত হলে খেতিয়ক অংশীদাৰ সকলক থকা মেলাৰ ঘৰ-দুৱাৰ নিৰ্ম্মাণৰ বাবদ প্ৰতিটো পৰিয়ালক অতি বেছি ৫০০ টকাকৈ মধ্যকালীন ঋণ সাহাৰ্য্য দিয়া হব। কৃষি নিগমৰ অংশীদাৰ সকলে নিজৰ খুচি আৰু ৰুচি অনুযায়ী ঘৰ দুৱাৰ পুননিৰ্ম্মাণ কৰাৰ প্ৰশ্ন নুঠে। এই নিগমৰ আৰ্হি অনুযায়ী ঘৰ-দুৱাৰ সজাৰ কাৰণে মধ্যকালীন ঋণ স্বৰূপে ৫০০ টকালৈকে দিয়াৰ ব্যৱস্থা ৰখা হৈছে।

Shri Charan Narzary : Mr. Speaker, Sir, I beg to call your attention to a matter and I may be excused for that. The situation in the Kokrajhar Sub-Division is worsening.

Mr. Speaker : Without notice you cannot move in this way. You have to give notice to the Minister.

Shri Charan Narzary : Sir, the Government is perpetrating a reign of terror....

Mr. Speaker : That is not the procedure and I cannot allow it.

Shri Charan Narzary : I am seeking your protection. Some positive steps should be taken to maintain peace and tranquility and to protect the life of the Tribal people.

Mr. Speaker : No, no. Next item is adjournment motion Are you moving it Mr. Barua ?

## Adjournment Motion

Shri Dulal Chandra Barua : Yes Sir. Sir, the subject matter of the adjournment motion which we have placed before you for consideration is a definite matter of important public importance and of recent occurrence. It is definite because it involves the policy of the Government in the matter and at the same time it has clearly proved the failure on the part of the Government to take adequate steps....

Mr. Speaker : You are referring to starvation deaths. What is your source of information ?

Shri Dulal Chandra Barua : We have got the information from the members.

Mr. Speaker : You are making statement on....

Shri Dulal Chandra Barua : It has been published in all the newspapers. And moreover, we have the information in writing from the hon'ble members and that information is with us. I can give the full information of the starvation

deaths in that area. Therefore, on the basis of the information from the hon'ble members who have also written to to Government, we are moving the adjournment motion on the basis of such definite information.

Mr. Speaker : You are to ascertain from the Government whether starvation deaths have taken place or not.

Shri Dalal Chandra Barua : Sir, it is question of censuring the Government. Government may say otherwise. But we have our own information that there have been starvation deaths in Goalpara. And we have areawise number of such deaths. In Mankachar it is 9, ............

Mr. Speakar : Adjournment motion cannot be moved on the facts in dispute. Has Government any information of starvation death ?

Shri Syed Ahmed Ali ( Minister for Parliamentary Affairs ) : Government has no information of starvation death. Government has information of death due to eating of inedibles in some places at Dhubri.

Shri Dulal Chandra Barua : That is a differnt thing.

Mr. Speaker : Procedure for adjournment motion is that the facts must be definite. When Government disputes the facts it is difficult to allow it.

Shri Dulal Chandra Barua : Sir, while you were the Minister incharge of Supply something of this nature happened and we raised the question in the form of adjournment motion.

Mr. speaker : That was not allowed.

Shri Syed Ahmed Ali ( Minister ) : Sir, in this connection may I cite a ruling ( Shri Dulal Chandra Barua : what ruling ? ) given in Kaul's Practice and Procedure of Parliament. At page 430 it is stated "An adjournment motion does not lie when facts are in dispute, or before they are available. When Government dispute the facts stated in the notice of the adjournment motion, the Speaker accepts the Government version of facts." This fact has been disputed by Government. Therefore, according to the ruling I have cited, Speaker should disallow it.

Shri Giasuddin Ahmed : Sir, are we to live on ruling only ? Are we not to do some good to people ? This is a serious matter. People have died of starvation and I think for the sake of democracy this should be allowed, at least to move for the admissibility.

Shri Syed Ahmed Ali ( Minister ) : The purpose is to raise a discussion.

Mr. Speaker : How can I allow it unless I know the information is authentic ?

Shri Dulal Chandra Barua : We have received the information from the hon'ble member from Bilasipara, Golakganj and Mankachar. They have intimated the Government earlier about the starvation death and they have also informed us to take up the matter. That is why, on the basis of this information available with us we are moving the adjournment motion. They have also given the number of death took place in different places. The fact as has been

raised by th· Minister-in charge of Parliamentary Affairs f om the Government side is controversial one. The question is not that. The question is, we are trying to impress upon you Sir. that an extraordinary situation has been created by the Government or due to failure of the Government some deaths have taken place. We know that Government will say that these are not deaths of starvation. Now the question that has been raised by you is whether you can allow me to plead the admissibility of the motion. As per rule we can do so. Simply I am trying to impress upon you that .....

Mr. Speaker : On what authentic evidence ?

Shri Dulal Chandra Barua : We have received the written information from two hon'ble members that the following starvation deaths have taken place :

Mankachar—9

Sukchar—3

Salmara—11

Dhubri—8

Gauripur—5

Bilasipara—6

Chapar—8

East Kokrajhar (C.M. Constituency)—11

Abhoyapuri }
Lakhipur } 10

Bakbar—5

Golakganj—13

Mr. Speaker : Whether this things were brought to the notice of the Government ?

Shri Dulal Chandra Barua : It was brought to the notice of the Govt. through the Deputy commissioner.

Mr. Speaker : The standing rule is that unless the authenticity of the report is admitted by the Government and when the facts are disputed by Government I cannot allow it. In this case I can postpone it, I do not disallow. I only postpone. Let us take it up some time next week. In the meantime, Government will collect the information whether there are starvation deaths in that area. We will take it up the next week.

Shri Kabir Chandra Roy Pradhani : Definite starvation deaths are there, Sir.

Mr. Speaker : When Government will come up with the information I will see to it.

Shri Syed Ahmad Ali, (Minister) : The hon'ble member may furnish the list.

Mr. Speaker : You give the list,

Shri Dulal Chandra Baruah : Mr. Speaker Sir, with your permission I want to bring to your notice that a demonstration is going on in front of the Assembly. The City Bus Employees have launched a continuous strike from this morning. Their demands are long pending and they have not been fulfilled. Some happenings have also taken place. May I know from the Minister incharge of the Transport

whether he received any notice and whether he will make statement on this ?

Shri Harendra Nath Talukdar, (Minister) : Govt. did not receive any notice.

Shri Dulal Chandra Baruah : Will he make a statement on this ?

Shri Harendra Nath Talukdar (Minister) : Let me enquire first Sir.

## Calling Attention

Shri Dulal Chandra Baruah : Sir, under Rule 54 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly, I want to draw the attention of the Govt. to the news item published in the 'Dainik Asom' dated 25th October, 1973 under the caption " ৬০ হাজাৰ বোৱনি শিপিনিৰ হাঁহাকাৰ "

Sir, though the calling attention is in the name of the Minister, Sericulture and Weaving but the concerning Minister is not present in the House. Kindly see Sir how the things are going on.

Shri Sarat Chandra Sinha (Chief Minister) : It is under the Khadi Board Sir.

Mr. Speaker : Who is the in-charge of the Khadi Board ?

Shri Sarat Chandra Singha (Chief Minister) : I am in-charge of the Khadi Board.

Shri Dulal Chandra Baruah : This arrangements must be known to us.

Shri Sarat Chandra Sinha (Chief Minister): This is not the question of arrangements. This matter relates to the functioning of the Khadi Board and I am in-charge of the Khadi Board.

Shri Dulal Chandra Baruah: Alright Sir.

*Shri Sarat Chandra Sinha, (Chief Minister): My attention has been drawn to the news item entitled "৬০ হেজাৰ বোৱনী শিপিনীৰ হাঁহাকাৰ" published in "Dainik Asom' on October 25,-1973. This news item relates to the Silk Production Centres under the management of the Khadi & Village Industries Commission, Bombay.

The position as could be ascertained from the local office of the Commission is as follows:

The Khadi Commission, Bombay has been running since 1956-57 silk production centres at Rampur, Bhangur-ipara, Haropara and Soalkuchi which provide subsidiary employment to the attached spinners and weavers who spin and weave the Eri and Muga cocoons and yarns supplied to them by the Commission through these centres. During the last seven to eight months, the workers could not be fed with cocoons and yarns owing to the stock of raw materials being exhausted which affected these workers who number 4 to 5 thousand and not 60,000 as reported in the news item. The fiunctioning of the centres, however, continued uninterrupted during this period, their staff being engaged in the recovery of yarns and cloths lying with the spinners and weavers.

*Speech not corrected

The Commission had originaly decided to wind up these centres in view of recurring losses. Subsequently, however, the Commission decided to request the State Khadi Board to take over these units in recognition of the fact that the role of the Commission being promotional in nature these activities so long carried on by the Commission should now be taken over by some local organisation. The terms and conditions for transfer as approved by the Commission has since been forwarded to the State Board for its concurrence and these are now under consideration of the Board. Meanwhile pending finalisation of the transfer, the working artisans attached to these centres are being provided with raw materials by the Commission.

Shri Dulal Chandra Baruah : What steps Govt. have taken to ameliorate the difficulties that are facing by the weavers ?

Shri Sarat Chandra Sinha (Chief Minister) : The Centre has not been closed. The Khadi Commission Bombay wants to discontinue their functioning. But, later they have decided to transfer it from the Khadi Commission to Khadi Board. The Khadi Board's supervision is better, and Khadi Board has agreed. Now, the terms and conditions are to be settled between the Khadi Commission and the Khadi Board. After finalisation of the terms and condition it should be handed over to the Khadi Board.

Shri Dulal Chandra Baruah : What is the interim arrangements made by the Govt. for the livelihood of the Weavers ?

Shri Sarat Chandra Sinha ( Chief Minister ): The Centre has not been closed, all the facilities are being extended to the Weavers and Spinners.

## Matter Under Rule 301

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য-পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি অসমৰ জনসাধাৰণৰ অতি আৱশ্যকীয় আৰু জৰুৰী বিষয়টো মই সদনৰ আলোচনাৰ্থে অ'ৰু ইয়াৰ যথাযথ উত্তৰ পাবৰ অৰ্থে উত্থাপন কৰিছো। বিষয়টো এয়েই যে যোৱা ১৯৭২ চনৰ দুই মে তাৰিখে আৰু ত্ৰিশ মে তাৰিখে আৰু ৩১ মাৰ্চ তাৰিখে নগালেণ্ড চৰকাৰ, অসম চৰকাৰৰ মাজত চাৰিখন চুক্তি হৈছিল। যি কেইখন চুক্তিৰ কাৰণে অসমৰ দক্ষিন সীমাৰ নিৰাপত্তা নাইকীয়া হৈছেই আৰু নগা সীমান্ত অঞ্চলৰ প্ৰায় আটাইকেইটা বনাঞ্চল অসম ভূমিৰ পৰা এৰি দি নগা ভূমিৰ লগত চামিল কৰাৰ এটা ষড়যন্ত্ৰ ইয়াৰ ভিতৰত দেখ দেখকৈ ওলাই পৰিছে। তদুপৰি এই বনাঞ্চল কেইটাত বহু বছৰ ধৰি বসবাস কৰি থকা অগণণ খেতিয়ক জনসাধাৰণক উচ্ছেদ কৰিবলৈ এই চৰকাৰে এই চুক্তিৰ পৰিপেক্ষিতত বাধ্য হৈ পৰিছে। এই সম্পৰ্কে যোৱা দুই মে ১৯৭২ চনৰ দিনা যিখন চুক্তি স্বাক্ষৰিত হৈছে তাৰ নামাকৰণ হৈছে

২ মে ১৯৭২ ৰত যিখন চুক্তি স্বাক্ষৰিত হৈছে সেই খন হৈছে

৩১ মাৰ্চ ১৯৭২ ৰত যিখন চুক্তি স্বাক্ষৰিত হৈছে সেইখন হৈছে

আনখন হৈছে ৩১ মাৰ্চ ১৯৭২ চন।

কিন্তু আমগুৰি তুলি ৰাস্তা সম্পৰ্কে হোৱা প্ৰথমখন চুক্তিত ৩১ মাৰ্চ ১৯৭২ খনত দেখা গৈছে যে নগালেণ্ড চৰকাৰে শিৱসাগৰ জিলাৰ গেলেকী বনাঞ্চলৰ অন্তৰ্গত তুলিত এটা কাগজৰ কল প্ৰতিষ্ঠা কৰিবলৈ লোৱাৰ ক্ষেত্ৰত সেই কাগজৰ কল আৰু তুলি আমগুৰি গড়কাপ্তানি বিভাগৰ ৰাস্তাটো যিটো অসম চৰকাৰে প্ৰতিপালন কৰি আহিছে, খা-খৰচ কৰি আহিছে, এইটো শক্তিশালী কৰিবলৈ ওথ কৰিবলৈ আৱশ্যকীয় পাহাৰ গছ-গছনি আদি কাটিবলৈ, অবাধে খনন কৰিবলৈ নগা চৰকাৰক সুবিধা দিয়া হৈছে আৰু সেই হিচাপে বাকী কেইটা চুক্তিও ঠিক

তদনুৰূপে নগালেণ্ড চৰকাৰ আৰু তাৰ প্ৰজা আটাইবিলাককে সুবিধা দিয়া হৈছে। দিছৈ ৰিজাৰ্ভত বহি থকা চাৰিখন নগা গাওঁ অসম চৰকাৰে ডিষ্টাৰ্ব নকৰো বুলি চুক্তি স্বাক্ষৰিত হৈছে। দৈয়াং ৰিজাৰ্ভৰ আশী বৰ্গমাইল এলেকাৰ বনাঞ্চলটো আৰু অন্যান্য কেইটামান বনাঞ্চল যেনে কাকডোঙা আদিৰ ক্ষেত্ৰটো এই একে ব্যৱস্থাই কৰা হৈছে।

আনফালে সেই দৈয়াং ৰিজাৰ্ভ অঞ্চলত মেৰাপানীত যি নগা চৰকাৰৰ ৫০ ঘৰ মানুহ বহি আছে আজি সেই সকলক উচ্ছেদ নকৰিলে। বা কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। চুক্তিত কিন্তু এইটো কথা লিপিবদ্ধ হৈছে যে মেৰা-পানী অঞ্চলত আজি কেই বছৰ মানৰ আগতে এটা পশু চিকিৎসালয়ৰ কাৰণত আৰু পশু চেক পোষ্টৰ কাৰণে নগাই যি কাৰ্য্যালয় বহুৱাইছিল আৰু বহুৱাবলৈ দিছিল, সেই ঠাইত ৭ জন চিপাহীৰ পুলিচ চকী নগা চৰকাৰক প্ৰতিস্থা কৰিবলৈ অসম চৰকাৰে সুবিধা দি চুক্তিত চহী কৰিছে।

অধ্যক্ষ : চমুকৈ কলে হব।

শ্ৰীসোনেশ্বৰ বৰা : অসম চৰকাৰৰ মুখ্য সচিব শ্ৰীধৰ্ম্মানন্দ দাস আৰু নগা চৰ-কাৰৰ মুখ্য সচিব শ্ৰীএল, লুঙালাং মাজত চুক্তিত স্বাক্ষৰিত হৈছে। এই স্বাক্ষৰৰ ফলত হোৱা অবৰ্ণনীয় অমানবীয় উচ্ছেদৰ কথা দৈয়াং বনাঞ্চলৰ বিষয়ে মই যোৱা বাজেট অধিবেশনত উত্থাপন কৰিছিলো। যোৱা ২৮ জুনৰ বাজেট বিতৰ্কৰ উত্তৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই এষাৰ সমিধানত কৈছিল যে নগা চৰকাৰ আৰু অসম চৰকাৰৰ মাজত হোৱা আভ্যন্তৰীণ চুক্তিৰ পৰিপেক্ষিতত এই উচ্ছেদ কাৰ্য্য কৰিবলৈ দিয়া হৈছে। যোৱা ৯ চেপ্তেম্বৰৰ দিনা গুৱাহাটীত সাংবাদিক মেলত মুখ্যমন্ত্ৰীয়ে সেই একে বিবৃতি দিছিল যে নগা চৰকাৰ আৰু অসম চৰকাৰ মাজত আভ্যন্তৰীণ যি চুক্তি স্বাক্ষৰিত হৈছে সেই চুক্তিৰ সম্পৰ্কতে দৈয়াং ৰিজাৰ্ভত এই ধৰণৰ উচ্ছেদ কৰিব লগা হৈছে। এই বিষয়টো অতি গুৰুত্বৰ বিষয়। বিধান সভাৰ নিচিনা জন প্ৰতিনিধিত্বৰ থকা বিধান সভাক নজনোৱাকৈ আমাৰ দেশৰ হাজাৰ হাজাৰ জনসাধাৰণক উচ্ছেদ কৰিব লগা হোৱা পৰিস্থিতিৰ উদ্ভৱ হব পৰাকৈ অসমৰ এছোৱা ভূমি নগাক দিব পৰাকৈ চৰকাৰৰ হৈ শ্ৰীধৰ্ম্মানন্দ দাসে এনে ধৰণৰ স্বাক্ষৰ কৰিব পাৰে, ব্যৱস্থা লব

পাৰে এইটো অতি তাৎপৰ্য্যপুৰ্ণ কথা । এই চুক্তিৰ অন্তৰালত বহিৰ শক্তিৰ যে প্ৰভাৱ আছে এই ষাৰ কথা খোলা খুলিকৈ কব পাৰি । আমাৰ দেশত পূব ভাৰতত এখন খৃষ্টিয়ান ৰাজ্য প্ৰতিস্থা কৰিবৰ অভিপ্ৰায়ে মিছনেৰী সকলে বহুত দিনৰ পৰা কাম কৰি আছে। এই চুক্তিকেইখনৰ এই মিছনেৰী সকলৰ অৱদান আছে। এওলোকে সীমান্তৰ বিৰাট অঞ্চলক নগাক দিয়াই এই কাম সমাধা কৰিব খোজে। এই ক্ষেত্ৰত পুজিপতি গোষ্ঠীৰ হাত থকাৰ প্ৰমান আছে। নগা পাহাৰৰ কাষে কাষে যি কেইটা প্লাইউদ ফেক্টৰী আছে শ্ৰমিল আছে সেই কেইটা হল বিৰলা গোষ্ঠীৰ। বিৰলা গোষ্ঠীয়ে অসমৰ ঠিকাদাৰক কাঠ কাটিবলৈ পামিৰ্ট যোগাৰ কৰি দিছে। এই ঠিকাদাৰ সকলে নগালেণ্ডৰ ঠিকাদাৰৰ লগ লাগি বিৰলা ফেক্টৰীত কাঠ বিক্ৰি কৰে। অসমত উৎপাদিত ভেনেষ্টা কাঠৰ শতকৰা ৮০ ভাগ কাঠ বিৰলা ফেক্টৰীয়ে যোগান ধৰে। নগা সীমাত যাতে মানুহ নবহে, কাঠনি হৈ থাকিব পাৰে তাৰ এটা ব্যৱস্থা কৰিছে। অসম চৰকাৰৰ হতুৱাই বিৰলা গোষ্ঠীয়ে এনে চুক্তি স্বাক্ষৰিত কৰোৱাৰ ব্যৱস্থা কৰিছে। তদুপৰি কেন্দ্ৰ চৰকাৰৰো হাত সাবতি আছে। এনে ধৰণে আজি ভয়ানক পৰিস্থিতিৰ সৃষ্টি হৈছে। দৈয়াং ৰিজাৰ্ভত ৮ হাজাৰ পৰিয়ালৰ ৫০ হাজাৰ জনসংখ্যাৰ লোকক উচ্ছেদ কৰা হৈছে। তাত উচ্ছেদ কৰিবলৈ যাওঁতে নৱম মান শ্ৰেণীত পঢ়া ছাত্ৰী নীলিমা বৰাই মৃত্যু বৰণ কৰিব লগা হৈছে। শ্ৰীযোগেশ বৰুৱাৰ দৰে হালোৱাই প্ৰাণ হেৰুৱাইছে। আৰু অনেক লৰা-ছোৱালী মৰিব লগা হৈছে। ৫০ লাখ টকাৰ সম্পতি এই উচ্ছেদ কাৰ্য্যৰ সময়ত লোকচান কৰা হৈছে। এই দৈয়াং ৰিজাৰ্ভ কৃষিৰ কাৰণে ইমানেই উপযুক্ত যে, সেই ৰিজাৰ্ভত যোৱা ৬ জুনৰ পৰা আগষ্ট মাহৰ প্ৰথম সপ্তাহলৈ প্ৰায় ৩ মাহ উচ্ছেদ কৰাৰ পিচত উচ্ছেদ কৰাত অলপ ঢিলাই দিয়াৰ পিচত যি খেতি কৰিছিল তাত খেতিয়ক সকলে কমেও ৫ লাখ মোন ধান এই বছৰত উৎপাদন কৰিছে। ৪ লাখ মোন ধান নিজে খাইও ১ লাখ মোন চৰকাৰক বেচিব পাৰিব। তেনে এখন খেতিৰ পথাৰ জংঘল কৰি থৈ চৰকাৰে সেউজ বিপ্লব কৰিব ? ঔ টেঙাটো মধুৰীটো মান ধান কৰিব ? এই চুক্তিৰ পৰিপেক্ষিতত এইষাৰ কথা প্ৰমাণ কৰিব পাৰি যে যোৱা ২৫ টা বছৰৰ ভিতৰত অসমত যিমান কৃষক উচ্ছেদ হল তাৰ গোটেই সংখ্যাটোতকৈ এই বছৰত তথা কথিত বিপ্লবী শ্ৰীশৰৎ সিংহৰ দিনত অসমত উচ্ছেদ কৰা কৃষকৰ সংখ্যা বেচি।

এই সৰ্ব্বনশীয়া চুক্তি কেইখন তৎক্ষণাত বাতিল কৰিবলৈ ব্যৱস্থা চৰকাৰে কৰিব লাগিব। জনসাধাৰণৰ সম্পত্তি ৰক্ষা কৰি যাতে সংস্থান হয় এই দায়িত্ব লোৱাত চৰকাৰ আগবাঢ়ি আহিব লাগিব। এই দায়িত্ব চৰকাৰে লব লাগিব নহলে সীমা সম্পত্তি শেষ হৈ যাব ব্ৰহ্মপুত্ৰৰ পাৰ দুটাহে থাকিবগৈ। নগা সীমা যদি ৰক্ষা কৰিব নোৱাৰে তেন্তে মেঘালয় অৰুনাচল, মিজোৰাম আদি সীমা মুৰিয়লি অঞ্চলৰ যি সীমা বিবাদ হৈছে ই সেই সমাধান আৰু জটিল হৈ পৰিব। ইয়াক মযিমুৰ কৰিবলৈ এই সমস্যাৰ নিৰাকৰণ কৰিবলৈ চৰকাৰ আগবাঢ়ি আহিব লাগিব। বুৰঞ্জী চালে গম পাব এই ঠাইত ছুতীয়া কছাৰী আহোম আদিয়ে একাদিক্ৰমে শাসন কৰি আহিছিল। সেই অঞ্চলত এতিয়া গৰীব মাটিহীন বানপ্ৰপীড়িত মানুহে পূৰ্ব্ব পূৰুষৰ সম্পতি ৰক্ষা কৰিবলৈ গৈছে। সেই সম্পত্তি ৰক্ষা কৰিবলৈ যোৱা লোক সকলক, সংস্থাপনৰ দায়িত্ব গ্ৰহনৰ পৰিবৰ্ত্তে চৰকাৰে নিৰ্ম্মম ভাৱে উচ্ছেদ কৰিছে। এই ধৰণৰ চুক্তি স্বাক্ষৰ কৰাৰ নৈতিক অধিকাৰ মন্ত্ৰী সভাই মূখ্য সচিবক দিব নোৱাৰে। বিশেষকৈ এই দায়িত্ব অসম বিধান সভাই বহন কৰিব লাগিব। মাননীয় সদস্য সকলক এই আকুল আহ্বান জনাই ৩০১ ধাৰা মতে এই দাবীটো উত্থাপন কৰিলো।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মূখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, কি পৰিস্থিতিত নগা ৰাজ্য আৰু অসম ৰাজ্যৰ মাজত চাৰিখন চুক্তি সম্পাদন কৰা হৈছিল— সেই কথা এই সদনত কেইবাবাৰো ডাঙি ধৰা হৈছিল। এনেকুৱা এটা পৰিস্থিতত আমি যাবলগীয়া হৈছিলো যে নগা ৰাজ্যৰ ফালৰ পৰা আমাৰ ৰাজ্যৰ ভিতৰত ১৭ টা পুলিচ চকী আৰু তাৰ মূখামূখীকে থকা পুলিচ চকী বিলাক বদলি হৈছিল। তাৰপিচত সংঘৰ্ষ হৈছে, এটা উতপ্ত আৰু অশান্তি পৰিস্থিতিৰ সৃষ্টি হৈছে। এই কথাৰ বিষদ—বিবৰণ দিয়াৰ প্ৰয়োজন নাই। তথাপি ইয়াত এই কথা আলোচনা কৰা হৈছে। তাৰ অধিকাৰৰ কাৰণে এই দুয়োখন ৰাজ্যৰ প্ৰতিনিধি লগলাগি ৪ খন চুক্তি সম্পাদন কৰিছে। এই চাৰিখন চুক্তিত ৰাজ্যৰ কোনো এটা অংশ এৰি দিয়া, এখন ৰাজ্যৰ অধিকাৰ আন এখন ৰাজ্যক দিয়া এই কথা নুঠে। এই চুক্তি সম্পাদন কৰা হৈছে অস্থায়ী কালৰ কাৰণে। এই চুক্তি সম্পাদন কৰা হৈছে যাতে তাত শান্তি বিৰাজ কৰে। আৰু যাতে দুয়োখন ৰাজ্যৰ মুৰব্বী সকলে এটা স্থায়ী বাতাবৰণৰ মাজত যাতে এটা স্থায়ী সিদ্ধান্ত হব পাৰে। বৰা

ডাঙৰীয়াই বিশেষকৈ যিখন চুক্তিৰ কথা উল্লেখ কৰিছে ২।৫।৭২ তাৰিখৰ চুক্তিৰ কথা এইখন চুক্তিও ঃ খন চুক্তিৰে অধীনত । আৰু এই চুক্তিখনৰ যিখিনি কথা সেই কথা খিনিও এই কথাৰে পৰিপেক্ষিতত বুজিব লাগিব । আমি পুলিচ চকী পাটি বা পুলিচৰ ব্যৱস্থা কটকটীয়া কৰাটো ৰাজ্যৰ সীমা ৰক্ষা কৰাৰ বাবে প্ৰয়োজন । আৰু সেই মতেই নিশ্চয় প্ৰশাসনীয় ব্যৱস্থাও কটকটীয়া কৰিব লাগিব । কিন্তু আমি যদি সীমান্তত উভয় ৰাজ্যয় লগলাগি প্ৰশাসনীয় ব্যৱস্থা সম্পৰ্কত দুয়ো ৰাজ্যৰ কৰ্তৃপক্ষ লগলাগি এটা বুজাপৰাৰ ভাব প্ৰস্তুত কৰিব পাৰো তেনেহলে এইটো ভাল কথা হব । এই দৃষ্টি কোনৰ পৰাই এই ৪ খন চুক্তি সম্পাদন কৰা হৈছিল । নগা ৰাজ্য আৰু অসম ৰাজ্যৰ মাজত চলি থকা এই উতপ্ত পৰিস্থিতি যাতে বেয়াৰফালে ধাল নাখায় আৰু এই উতপ্ত পৰিস্থিতি যাতে সাম কাটে আৰু যাতে এটা শান্ত পৰিস্থিতিৰ সৃষ্টি ধৰ্মী সিদ্ধান্ত কৰিব পাৰো তাৰ কাৰণেই এই চুক্তি সম্পাদন কৰা হৈছে । দৈয়াং বনানঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ সম্বন্ধে বৰা ডাঙৰীয়াই উল্লেখ কৰিছে আৰু আগতেও এই কথা উল্লেখ কৰিছে । দৈয়াং বনানঞ্চল সংৰক্ষিত বনানঞ্চল । কিন্তু বিভিন্ন দিশৰ পৰা বিবেচনা কৰি এইখন সংৰক্ষিত বনানঞ্চল কৰিব লাগিব এই সিদ্ধান্ত চৰকাৰে কৰিছে । সেইকাৰণেই এই সিদ্ধান্ত কাৰ্য্যকৰী কৰিবলৈ হলে যিসকলে বিনা অনুমতিত দখল কৰিছে সেই সকলক থাকিবলৈ দিব নোৱাৰি । কিন্তু সেইবুলি সকলো লোককে তাৰপৰা উচ্ছেদ কৰিব পৰা হোৱা নাই । তাৰ কাৰণ এই কথা এই সদনতে বহুতবাৰ ব্যক্ত কৰা হৈছে । এতিয়া ভালেখিনি লোকক যিসকলৰ অধিকাৰ আছে এই বনানঞ্চলত থাকিবলৈ দিয়া হৈছে আৰু তেওঁলোকে তাত খেতি বাতি কৰি আছে । যিসকল লোকক তাৰপৰা উচ্ছেদ কৰা হৈছে সেইসকল লোকক স্থানান্তৰ কৰি বসতি দিয়াৰ কথা বিবেচনা কৰা হৈছে । দৈয়াং বনানঞ্চলত যিসকল লোক বিনা অনুমতিত সোমাইছে সেই সকলো কথা বিবেচনা কৰি মানবীয় দৃষ্টি ভংগীৰে বিবেচনা কৰি সেইসকলক স্থানান্তৰৰ পিচত বসতি দিয়াৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে আৰু এইটো থৰটকীয়াকৈ সম্পাদন কৰিব ।

দিচৈ ভেলিৰ কথাও অনুৰোপ । প্ৰকৃতপক্ষে বৰা ডাঙৰীয়াই ৪ খন চুক্তিৰ আবদ্ধ হৈ থকা কথাকেই উল্লেখ কৰিছে । এইটোও একেতা কথাই ।

ইয়াত এটা কাগজৰ কল প্ৰতিস্থা কৰাৰ কথা, নগালেণ্ড চৰকাৰে পুলিচ চকী পতাৰ কথা উল্লেখ কৰিছে সেইখিনি এই চুক্তিত অস্থায়ী কালৰ কাৰণে কৰিবলৈ দিয়া হৈছে। দুয়োখন ৰাজ্যৰ ভিতৰত এইটো কথা যদি সামগ্ৰীক ভাবে বুজা বুজি হয় তাৰ কাৰণেই এই অস্থায়ী ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছে। যেতিয়া স্থায়ী ব্যৱস্থা কৰা হব তেতিয়া গোটেই কথাটো পুনৰ বিবেচনা কৰা হব। আৰু সেই ভাবেই ব্যৱস্থা গ্ৰহণ কৰা হব। এই সদনত নজনোৱাকৈ ৰাজ্যখনৰ কোনো এটা অংশ কাটি দিয়া তাৰপিচত অভিযোগৰ কথা ঠিক নহয়। গতিকে এই কথা সতভাব প্ৰতিস্থাৰ কাৰণে আলোচনাৰ এটা সুস্থ বাতাবৰণ সৃষ্টি কৰাৰ কাৰণে। আমি যেতিয়া এইটো চূড়ান্ত সিদ্ধান্ত কৰিম তেতিয়া এই সদনত জনোৱা হব। গতিকে অধ্যক্ষ মহোদয়, শ্ৰীবৰা ডাঙৰীয়াক অনুধাৱন কৰিবলৈ কৈছো আৰু এই চুক্তি চাৰিখনৰ যি তাৎপৰ্য্য সেই দৃষ্টিকোনৰ পৰা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মুখ্যমন্ত্ৰী ডাঙৰীয়াই শ্ৰীবৰা ডাঙৰীয়াই উল্লেখ কৰা সম্পৰ্কত যি কথা কলে এই কথা যিখিনিৰ পৰা আমি জানিব পাৰিছো যে যি ৪ খন চুক্তি নগালেণ্ডৰ লগত কৰা হল এই ৪ খন চুক্তিৰ সম্পৰ্কত আমাৰ স্বাৰ্থৰ খাতিৰত স্থায়ীভাবে বন্দবস্ত কৰাৰ কথা চৰকাৰে চিন্তা কৰিছেনে নাই ? যি ৪ খন চুক্তি কৰা হল নগালেণ্ড চৰকাৰৰ লগত শ্ৰীবৰা ডাঙৰীয়াই কোৱাৰ দৰে কাৰ লগত আলোচনা কৰি কৰিছে কব নোৱাৰো। আমি জনাত এই ৪ খন চুক্তি কৰা হৈছে ইয়াৰ জৰিয়তে আমাৰ স্বাৰ্থ কিমানদুৰ ৰক্ষা কৰিব কব নোৱাৰো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সীমাৰ কথাটো অফিচিয়েলি জানে আৰু যদি কেতিয়াবা দেখিছে তেনেহলে সেইটো আংশিক ভাবে দেখিছে। কিন্তু আমাৰ যোগান বিভাগৰ মন্ত্ৰী মই আৰু বৰা ডাঙৰীয়া তাৰ লগত উতঃ পুত ভাৱে জৰিত আছো। এই চুক্তিৰ দ্বাৰা কিমান শান্তিপুৰ্ণ অৱস্থালৈ অহাৰ সম্ভাবনা আছে সেইটো কব নোৱাৰো। তাত চিন্নভাৰ লাইনিং দুটা হৈছে। নগালেণ্ডৰ সীমা মুৰিয়লি আৰু অসমৰ সীমা মুৰিয়লিত বাস কৰা লোকসকলে শান্তিপূৰ্ণ ভাবে বসবাস কৰি আছিছে।

মিঃ স্পীকাৰ : আপোনাৰ পইণ্ট ক্লিয়াৰ কৰক।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো তেখেতে যি

খিনি ভাবপূর্ণ কথা কলে তাৰ জৰিয়তে আমাৰ সমস্যা সমাধান হব জানো ? যি কথাৰ ওপৰত ভিত্তি কৰি ভূমিহীন কৃষক সকলক তাৰপৰা উচ্ছেদ কৰিছে সেই কথাৰ যুক্তি যুক্ততা কি ? ২) দৈয়াং বনানঞ্চলত বৰ্ত্তমান জংঘল নাই যি আছিল তাকো নগা সকলে কাটি নাইকীয়া কৰিলে

অধ্যক্ষ মহোদয়, সেই দৈয়াং অঞ্চলত যি জংঘল আছে সেই অঞ্চলসমূহ সংৰক্ষিত হিচাবে ৰখাটোৰ কোনো যুক্তি যুক্ততা বিচাৰি নাপাও। গতিকে চৰকাৰে যিটো কথা নীতিগত ভাবে চিন্তা কৰিছে সেইটো কৰা উচিত। মই মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ কৰো যি কোনো এটা চুক্তি কৰিলে সেই চুক্তি জন স্বাৰ্থৰ সাপেক্ষে কৰা উচিত। কিন্তু চৰকাৰে তাত যি উচ্ছেদ কৰিলে সি অসমৰ বুৰঞ্জীত বেয়া আখৰেৰে জিলিকি থাকিব। কাৰ পৰামৰ্শ মতে মন্ত্ৰী মহোদয়ে সেই অঞ্চল বনাঞ্চল কৰি ৰাখিবলৈ বিচাৰে ? আৰু এই ধৰণৰ জোৰ জুলুম কৰি সময়ে সময়ে তাত থকা মানুহ বিলাকক কিয় উচ্ছেদ কৰিবলৈ বিছাৰিছে ?

শ্ৰীনগেন বৰুৱা : অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, ১৯ জুলাই তাৰিখে আমাৰ সজাতি দলটোৰ আগত আৰু ১৫ অক্টোবৰ তাৰিখে প্ৰেছৰ আগত বক্তৃতা দিওতে ১৫ নবেম্বৰত দৈয়াং অঞ্চলত যিসকল উচ্ছেদ কৰা হৈছিল সেই সকলক পুনৰ সংস্থাপনৰ কাৰণে চৰকাৰে দিহা কৰিব বুলি কৈছিল আৰু আজি ২৩ নবেম্বৰ তাৰিখ হলহি এতিয়ালৈকে সেই আশ্বাস মন্ত্রী মহোদয়ে কাৰ্য্যকৰী কৰিব পৰা নাই। এই পুনৰ সংস্থাপনৰ কাম কেতিয়া কাৰ্য্যকৰী হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ মুখ্যমন্ত্ৰী : অধ্যক্ষ মহোদয়, এই সমস্যা সমাধান নহব বুলি মই নাভাবো। ইয়াৰ সমাধান হবই আৰু কৰিবই লাগিব। তাৰ কাৰণে আমি যত্ন কৰিছো। দৈয়াং অঞ্চলত কাৰ পৰামৰ্শ লৈ উচ্ছেদ কৰা হৈছে এই কথাটো আহিছে। অধ্যক্ষ মহোদয়, এই পৰামৰ্শৰ প্ৰয়োজন নকৰে। কাৰণ এই দৈয়াং বনাঞ্চল সংৰক্ষিত বনাঞ্চল। সেই সংৰক্ষিত বনাঞ্চল কোনোবাই বিনা অনুমতিত দখল কৰিলে উচ্ছেদ কৰিবই লাগিব। আৰু সেই উচ্ছেদ অকল দৈয়াং বনাঞ্চলতেই হোৱা নাই অন্যান্য বনাঞ্চলতো হৈছে। সংৰক্ষিত বনাঞ্চল ৰাখিব লাগেনে নালাগে এই সংৰক্ষণৰ কথাটোৰ সমাধান সদনে নিশ্চয় দিব। যদি কয় যে সংৰক্ষিত বনাঞ্চলৰ কোনো প্ৰয়োজন নাই তেতিয়া আমি বনাঞ্চল খুলি

দিব পাৰো। আৰু ৰাইজক বহিবৰ কাৰণে বা খেতি কৰিবলৈ খুলি দিব পাৰো কাৰণ ৰাইজে যি ধৰণে বিচাৰে সেইধৰণে হব। কিন্তু এটা কথা এটা স্বীকৃত নীতি আছে আৰু এই বনাঞ্চল বিলাক নাইকীয়া কৰি দিলে ইয়াৰ পৰিণতি যে কি ভয়াবহ হব সেইটোও এটা চিন্তনীয় কথা। সেইকাৰণে বনাঞ্চল সংৰক্ষণ কৰিবলৈ চৰকাৰ বাধ্য। সেই হিচাবে দৈয়াং বনাঞ্চলৰ পৰা উচ্ছেদ কৰা হৈছে। সেইকথা আমি আগতে কৈছো যে যি পৰিস্থিতিত দৈয়াং বনাঞ্চলত উচ্ছেদ কৰা হৈছে সেই কথা বিবেচনা কৰি আৰু উচ্ছেদকাৰী সকলৰ পুনৰ সংস্থাপনৰ বাবে চিন্তা কৰা হৈছে। আজি বৰুৱা ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিছে এই লোক-সকলক ১৫ অক্টোবৰ তাৰিখে সংস্থাপন কৰাৰ কথা আছিল আৰু ইতিমধ্যে এই কাৰ্য্য আৰম্ভ কৰা হৈছে আৰু এই কাৰ্য্য সম্পাদন কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, চৰকাৰে বনাঞ্চল ৰক্ষা কৰিব নালাগে বুলি কোৱা নাই। চৰকাৰে সিদ্ধান্ত কৰি মাটিহীন খেতিয়ক সকলক মাটি দিয়াৰ কথা চিন্তা কৰা নাছিলনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেইকাৰণে সেই সকলো লোকক সংস্থাপন দিয়াৰ কথা চিন্তা কৰি দায়িত্ব লোৱা হৈছে।

## Further discussion on Pending Special Motion moved by Shri Dulal Chandra Barua on 17.7.73

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, এই বিষয়ৰ ওপৰত দুই এশাৰ কবলৈ দিলে ভাল হয়।

Mr. Speaker : If these have any significance I shall allow.

শ্ৰীলীলা কান্ত দাস : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৭ জুন তাৰিখে মুখ্যমন্ত্ৰী মহোদয়ে ৰাজ্যখনত বস্তু মূল্য বৃদ্ধি সংক্ৰান্তত যি প্ৰতিবেদন দাখিল কৰিছিল তাৰ বিনিময়ত যোৱা ১৭ জুলাই তাৰিখে বিধান সভাৰ সদস্য শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই যি আলোচনা দাঙি ধৰিছে সেই আলোচনা সংক্ৰান্তত বস্তুৰ মূল্য বৃদ্ধি কিয় হৈছিল তাৰ বিষয়ে আৰু মুখ্যমন্ত্ৰীয়ে প্ৰতিবেদন সমৰ্থন কৰি যি কথা কৈছিল সেইখিনি কথা সেইদিনা সদনত আলোচনা কৰা হৈছিল। আমাৰ দেশখনত বস্তুৰ মূল্য

বৃদ্ধি হোৱাৰ প্ৰধান কাৰণ হল প্ৰয়োজনীয় বস্তুৰ উৎপাদন নোহোৱাটো। আৰু শিল্পজাত বস্তুৰ লগতে কৃষিজাত বস্তুৰ প্ৰয়োজন অনুসাৰে উৎপাদন হোৱা নাই। গতিকে বস্তুৰ মূল্য বৃদ্ধি হৈছে। মহোদয়, দেশখনৰ জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ লগতে এটা অস্থিৰ অৱস্থাও আহি পৰিছে। বস্তুৰ মূল্য যদি এটা সুস্থিৰ অৱস্থালৈ নাহে তেন্তে আমাৰ অৰ্থনৈতিক অবস্থাও এটা সুস্থিৰ অবস্থাত উপনীত হব নোৱাৰে। গতিকে আমাৰ দেশত কৃষিজাত আৰু শিল্পজাত বস্তুৰ উৎপাদন বৃদ্ধি কৰিব কাৰণে ৰাজ্যচৰকাৰে কিছুমান ব্যৱস্থা অবলম্বন কৰিছে। এই সংক্ৰান্তত মই ইয়াকে কব খোজো যে আমাৰ দেশত ৰবি শস্য উৎপাদনৰ কাৰণে যি ব্যৱস্থা লোৱা হৈছে সেই ব্যৱস্থা যেনেভাবে কাৰ্য্যকৰী কৰিবৰ কাৰণে মনস্থ কৰা হৈছে সেইদৰে এই কৃষিজাত আৰু শিল্পজাত দ্ৰব্য সমূহৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে প্ৰচেণ্টা লৈ চৰকাৰ আৰু ৰাইজ উভয়ে সম্পূৰ্ণ সচেণ্ট হব লাগিব। মহোদয় বস্তুৰ দাম বৃদ্ধিৰ আন এটা কাৰণ হৈছে বস্তুৰ সৰবৰাহ আৰু বিতৰণ এই দুয়োটা ন্যায়সঙ্গত হোৱা নাই। এই কথাটো সদনে অনুভৱ কৰিছে যে আমাৰ নিত্য প্ৰয়োজনীয় বস্তু নিয়মিতভাবে সৰবৰাহ আৰু বিতৰণ কৰিব পৰা নাই। এই কথাটো আজি আমাৰ পৰিলক্ষিত হৈছে যোৱা জুন মাহত দেশৰ খাদ্য বস্তু বিতৰণ বিশেষকৈ ঘেহুজাত খাদ্য ৰাষ্ট্ৰীয়কৰণ কৰি বিতৰণৰ ব্যৱস্থা চৰকাৰে লৈছে।

ঘেহুজাত আৰু অনান্য খাদ্যসামগ্ৰী কিছুমান চৰকাৰে নিজৰ হাতলৈ আনিছে। বিশেষকৈ যোৱা নবেম্বৰৰ এক তাৰিখৰ পৰা আমাৰ ৰাজ্যখনৰ প্ৰধান খাদ্য সামগ্ৰী ধান-চাউলৰ ব্যৱসায়, তাৰ সৰবৰাহ আৰু বিতৰণৰ দায়িত্ব আমাৰ চৰকাৰে নিজৰ হাতলৈ আনিছে। চৰকাৰৰ এই পদক্ষেপটো আমাৰ ৰাজ্যখনৰ কাৰণে অতি গুৰুত্বপূৰ্ণ ব্যৱস্থা। আমাৰ ৰাজ্যখন কৃষিপ্ৰধান ৰাজ্য হিচাবে ইয়াৰ শতকৰা ৮০ ভাগ মানুহেই কৃষিজীৱি লোক। আমাৰ ৰাজ্যখনৰ কৃষিৰ যিটো অৰ্থনৈতিক অৱস্থা আৰু সেই অৰ্থনৈতিক অৱস্থাৰ মাজেদি আমাৰ ৰাজ্যখনৰ বিশেষকৈ আমাৰ জনসাধাৰণৰ যদি ন্যায় বিচাৰ আৰু সহায় সহযোগ দিবপৰা নেযায় তেতিয়াহলে ৰাজ্যখনৰ মানুহ কেতিয়াও উন্নত হবনোৱাৰে। এই কথাটো চৰকাৰে নিশ্চয় উপলব্ধি কৰিব পাৰিছে। ইয়াৰ আগতে আমাৰ চৰকাৰে এই কথাটো ভৰা নাই।

কিন্তু এতিয়া এই সমস্যাটোৰ গুৰুত্ব আমাৰ জাতিয় কংগ্ৰেছ আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে উপলব্ধি কৰিছে আৰু এইক্ষেত্ৰত যথেষ্ঠ গুৰুত্ব আৰোপ কৰিছে। সেইকাৰণেই যোৱা এক নবেম্বৰৰ পৰা ধান-চাউল সৰবৰাহ আৰু বিতৰণৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰি এটা কাৰ্য্যকৰী ব্যৱস্থাই লৈছে আৰু ৰাইজেও ইয়াত সহাৰি দিছে। গ্ৰাহক সমবায় সমিটি বিলাক অৰ্থাত্‌ খাদ্য সামগ্ৰীকে আদি কৰি আমাৰ নিত্যে প্ৰয়োজনীয় জিনিষ পত্ৰবোৰৰ সৰবৰাহ আৰু বিতৰণ আদি কৰিবৰ কাৰণে নতুন পঞ্চায়তৰ ভিত্তিত যিবিলাক বেছাকিনা সমবায় সমিটি গঠন কৰা হৈছে আৰু সেইক্ষেত্ৰত যিবিলাক সংশোধনী কৰা হৈছে সেই মতেই যদি কাম কৰা যায় তেতিয়াহলে, আমি চৰকাৰৰ এই অভিনৱ আচঁনিৰ সুফল লাভ কৰিব পাৰিম।

উপাধ্যক্ষ মহোদয়, মোৰ মতে চৰকাৰৰ এই আচঁনিটো সমাজতান্ত্ৰিক দিশত প্ৰথম অৰ্থনৈতিক বিপ্লৱ। কিন্তু ৰাইজৰ সমাজত এই ব্যৱস্থাৰ কাৰ্য্যকাৰিতাৰ বিষয়ে এটা সন্দেহৰ ভাৱ সৃষ্টি হবপাৰে এই কাৰণেই যে, এই বিলাক সামগ্ৰীৰ ব্যৱসায়ৰ ক্ষেত্ৰত কিছুমান ন্যস্ত স্বাৰ্থৰ লোকে পৰম্পৰাগত ভাৱে আঁচনি বিলাক কৃতকাৰ্য্য কৰাত বাধাৰ সৃষ্টি কৰি আহিছে -তেওঁলোকৰ ব্যক্তিগত লাভৰ আশাত। এই প্ৰতিক্ৰীয়াশীল লোকসকলৰ স্বাৰ্থক মষিমূৰ কৰি এই আঁচনিক কৃতকাৰ্য্য কৰিবলৈ চেষ্টা কৰিলে সেই কামত চৰকাৰক জনসাধাৰণে একাগ্ৰচিত্তে অৰিহণা যোগাব আৰু ৰাইজেও তেওঁলোকক সমাদৰ জনাব। কৃষিজাত সামগ্ৰী আৰু অনান্য নিত্য-প্ৰয়োজনীয় জিনিষ পত্ৰাদি সামাজিক স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত গ্ৰহণ কৰি ললে আমাৰ প্ৰকৃত অৰ্থনৈতিক ব্যৱস্থাটো বহুদূৰ আগবাঢ়ি যাব। সেইকাৰণেই চৰকাৰক ধন্যবাদ দিছোঁ আৰু অনুৰোধ কৰিছোঁ যাতে ক্ষীপ্ৰ গতিত এই বিলাক কাম কাৰ্য্যকৰী কৰিবলৈ চৰকাৰে ব্যৱস্থা লয়। যি উদ্দেশ্যত এই ব্যৱস্থা কৰা হৈছে সেই উদ্দেশ্যত উপনীত হবলৈ হলে ৰাইজৰ সহায় সহযোগৰ উপৰিও প্ৰশাসনিক যন্ত্ৰটোৱে বলীষ্ঠ পদক্ষ্যেপেৰে কাম কৰিব লাগিব। তাৰোপৰি, মই আমাৰ চৰকাৰৰ ওচৰত এটা অনুৰোধ কৰিব খুজিছোঁ যে, আমাৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সকলো বিলাক জিনিষপত্ৰকে আদি কৰি আমি যাতে ৰাজ্যৰ সকলো ঠাইতে সমানে আৰু একেই দামত সদায় পাবপাৰো তাৰ কাৰণে আমাৰ চৰকাৰে যথাবিহিত ব্যৱস্থা লব লাগে। কিয়নো কিছুমান বস্তুৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ নিৰ্দ্ধাৰিত

কিছুমান বিধি-ব্যৱস্থা থাকিলেও সেইমতেই সকলো জেগাতে কাম নহয় আৰু ফলত একেই বস্তুৰেই সকলো ঠাইতে সমানে উৎপন্ন হোৱা স্বত্বেও উপযুক্ত সৰবৰাহ আৰু বিতৰণৰ অভাৱৰ হেতুকে মূল্যমান আৰু উপযুক্ত সময়ত পোৱাত অসুবিধাৰ সৃষ্টি হয়। সেইদৰেই বাহিৰৰ পৰা অহা নিত্যপয়োজনীয় বয়-বস্তুৰ ক্ষেত্ৰতো সৰবৰাহ আৰু বিতৰণৰ ক্ষেত্ৰত চৰকাৰে চকু দিব লাগে। অসমৰ ভিতৰত এনেকুৱা কিছুমান অঞ্চল আছে যত একেতা বস্তুৰ বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ দাম। এই ক্ষেত্ৰত চৰকাৰে নীতিগত ব্যৱস্থা কৰা নাই। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ চৰকাৰৰ যি অৰ্থনৈতিক নীতি সেই নীতিৰ ওপৰত ভিত্তি কৰি যিবিলাক নিত্য–প্ৰয়োজনীয় বস্তু বাহিৰৰ পৰা আমদানী কৰিব লগা হৈছে, সেই গোটেই ভাৰতবৰ্ষৰ উৎপাদিত বস্তুৰ ওপৰত যি মূল্য নিৰ্দ্ধাৰণ কৰিছে আৰু তাৰ বিতৰণৰ বাবে যি ব্যৱস্থা কৰিছে সেই ব্যৱস্থা এই ৰাজ্যৰ বিভিন্ন ঠাইত থকা সকলো মানুহে যাতে সেই একে মূল্যকে পায় তাৰ সুব্যৱস্থা কৰিব লাগে। সৰ্ব্বভাৰতীয় মূল্য নিৰ্দ্ধাৰণৰ যি নীতি আছে অসমৰ ক্ষেত্ৰতো সেই একেতা নীতিকে অৱলম্বন কৰিবলৈ মই অনুৰোধ জনালো। উপাধ্যক্ষ মহোদয়, কৃষিজাত বস্তুৰ ক্ষেত্ৰত মই এই খিনিকেই কলো।

এতিয়া মই শিল্পজাত বস্তুৰ ওপৰত দুষাৰ কথা কম। আজি প্ৰত্যেক সদস্যই এই শিল্পজাত বস্তুৰ বিষয়ে ভাবি চোৱা উচিত। আজি ধান-চাউলৰ আৰু আটা-ময়দাৰ দাম বৃদ্ধি হোৱাৰ বাবে আন্দোলন হৈছে। কিন্তু এনে কিছুমান বস্তু আছে - যিবিলাক বস্তু নহলে নচলে সেই শিল্পজাত বস্তুৰ দাম একেবাহে বৃদ্ধি হয়েই আছে। সেইবিলাকৰ ক্ষেত্ৰত তেনে কোনো আন্দোলন হোৱা নাই আৰু চৰকাৰেও সেই বিলাকত গুৰুত্ব আৰোপ কৰা নাই। গতিকে খাদ্যবস্তু বিতৰণৰ ক্ষেত্ৰত যি দৰে মূল্য নিৰ্দ্ধাৰণ কৰি নীতিগত ব্যৱস্থা লৈছে সেইদৰে আমাৰ দৈনন্দিন নিত্য-প্ৰয়োজনীয় শিল্পজাত বস্তুৰ ক্ষেত্ৰতো নীতিগত মূল্য নিৰ্দ্ধাৰণ গ্ৰহণ কৰিব লাগে। এই বিষয়ত মই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসম চৰকাৰে দাবী জনাবলৈ অনুৰোধ কৰিছো যে শিল্পজাত বস্তুৰ ক্ষেত্ৰতো মূল্য নিৰূপন কৰি গণতান্ত্ৰিক দেশখন গঢ় দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ দেশত বস্তু মূল্য বৃদ্ধি হোৱাৰ বহুতো কাৰণ

আছে। তথাপিও আমি আমাৰ দেশখনক ৰাষ্ট্ৰীয় নীতিৰ যি আদৰ্শ সেই আদৰ্শৰ ওপৰত ভিত্তি কৰি কিছুমান কাম কৰিছো। বেংক ৰাষ্ট্ৰীয়কৰণ কৰিছো, সৰ্ব্বোচ মাটিৰ সীমা নিৰ্দ্ধাৰণ কৰিছো। মাটিৰ ক্ষেত্ৰতহে চিলিং এক্ট কৰে। কিন্তু কিছুমান বিষয়ত চিলিং এক্ট নকৰিলেও মানুহৰ বিলাসীতাৰ ওপৰত চিলিং এক্ট কৰিব লাগিব। যেতিয়ালৈকে এই বিলাসীতাৰ ওপৰত চিলিং এক্ট কৰা নহয় তেতিয়ালৈকে আমাৰ দেশৰ বস্তুৰ মূল্য নিয়ন্ত্ৰণ কৰা সম্ভৱ নহব। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে বহুতো ভাল মানুহৰ ঘৰত কুকুৰ জমা হৈ থাকে। সকলোৱে জানে যে মানুহে খোৱাৰ পিচত যিখিনি অৱশিষ্ট থাকে সেইখিনিক কুকুৰক দিয়ে। কিন্তু ইয়াৰো এটা ডাঙৰ ৰহস্য আছে। কুকুৰক ভাত দিয়া সময়ত দেখিব যে যিটোৱেই আটাইতকৈ শকত আৰত শক্তিশলী কুকুৰ সেইটোৱেই সকলোখিনি খাই শেষ কৰে - বাকীবিলাকে মুখমেলি চাই থাকিবলগা হয়। গতিকে ঘৰৰ গিৰিহঁতে যদি দুৰ্ব্বল বিলাকক প্ৰটেকচন দিয়াৰ ব্যৱস্থা নকৰে তেতিয়াহলে কোনো উপায় নাথাকে। আমাৰ দেশত প্ৰায় শতকৰা ৭৪ জন লোক দুৰ্ব্বল অৱস্থাত আছে। গতিকে তেওঁলোকৰ কথা যদি চিন্তা কৰিবলৈ যাওঁ তেন্তে বাকী কেইজনমানে এই শতকৰা ৭৪ জন লোকক শোষণ কৰি আছে। আনহাতে আমাৰ দেশত যাতে প্ৰয়োজনীয়তকৈ বেছি খৰছ কৰিব নোৱাৰে তাৰ ব্যৱস্থা যদি কৰা নাযায় তেতিয়াহলে দেশত মূল্য নিৰ্দ্ধাৰণ কৰা বৰ জটিল হব। কাৰণ আমাৰ দেশৰ প্ৰগতিৰ ক্ষেত্ৰত এই আমোদ-প্ৰমোদ আৰু লাহ বিলাহেই প্ৰচণ্ড ধুমুহাৰ দৰে বাধা দিছে আৰু সেইটোৱেই আমাৰ দেশত বিৰাট দুৰ্নীতি হোৱাৰ এটা কাৰণ। কিছুমানে পৰিশ্ৰম কৰি উপাৰ্জ্জন কৰিব বিচাৰিছে আৰু আন কিছুমানে টকা উপাৰ্জ্জনত ব্যস্ত হৈছে। গতিকে আমাৰ দেশত এই অতিমাত্ৰা খৰছৰ ওপৰতো চিলিং এক্ট কৰিব লাগে আৰু সামাজতান্ত্ৰিক দেশত চিলিং কৰাতো আৱশ্যক। আজি একশ্ৰেণী লোকে লাখ লাখ টকা উপাৰ্জ্জন কৰিছে আৰু আন এটা শ্ৰেণীয়ে একোকে কৰিব পৰা নাই। এইটো সমাজতান্ত্ৰিক দেশত স্বৰ্গ আৰু মৰ্ত্যৰ সমান পাৰ্থক্য। এই পাৰ্থক্য দুৰ কৰি আমাৰ দেশখন এখন পূৰ্ণপৰ্য্যায়ৰ সমাজ-তান্ত্ৰিক দেশত পৰিণত কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এইখিনিতে এইটো কথা উল্লেখ কৰা ভাল হব যে কেন্দ্ৰীয় চৰকাৰে যি আমোদকৰ লগাইছে সেইটো প্ৰত্যক্ষ ভাৱে নহলেও পৰোক্ষ-

ভাবে দুখীয়া শ্ৰেণীৰলোকে বহণ কৰি আছে। কাৰণ আজি নানা গহণা পাতিৰ বাবে লাখ লাখ টকা খৰছ কৰিব লাগে আৰু ছোৱালী বিয়া দিবৰ বাবেও লাখ লাখ টকা খৰছ কৰিব লাগে। এইটো বন্ধ কৰিব লাগে। যদি বন্ধ কৰা নাযায় তেতিয়াহলে দুখীয়া শ্ৰেণীয়ে আন্দোলন কৰিব লাগিব। এই গৰিব শ্ৰেনীয়ে বহন কৰিব লাগে। কাৰণ যিসকলৰ ওপৰত কৰ ধাৰ্য্য কৰিবলগীয়া হয় উদাহৰণ স্বৰূপে চিনেমাত কৰ লগোৱা হয় কিন্তু চিনেমা চোৱা সৰহ সংখ্যক লোকেই ৰিক্সাৱলা, ঠেলাৱলা বা তেনেধৰণৰ মানুহ। উপাধ্যক্ষ মহোদয় সেইকাৰণে মই চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিব খুজিছো যে আমাৰ দেশৰ যিবিলাক আমোদ কৰতাক শক্তিশালী কৰিব লাগে। আৰু পৰাপক্ষত বৰ্দ্ধিত হব নেলাগে যাতে ইয়াৰ দ্বাৰা সমাজৰ সকলো শ্ৰেনীৰ মাজত এটা পৰস্পৰ সম্পৰ্ক গঢ়ি উঠিব পাৰে।

উপাধ্যক্ষ মহোদয় মই আৰু এটা কথা কৈয়ে সামৰণি মাৰিম। আমাৰ দেশত সকলো বস্তু উৎপাদন নহয় ফলত অন্যান্য দেশৰ পৰা আনানিয়া কৰিব লগীয়া হয়। এই ক্ষেত্ৰত এতিয়ালৈকে পোৱা বিবৰণ মতে বহুতো ক্ষেত্ৰত আমাক অবিচাৰ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ বিবৃতিত স্পষ্টভাৱে ইয়াৰ কাৰণ 'যাতায়ত ব্যৱস্থা' বুলি উল্লেখ কৰিছে। এইটো সত্য কথা। সেইকাৰণে মই কওঁ যে সমাজতান্ত্ৰিক যি ব্যৱস্থা বা যি ৰাষ্ট্ৰীয় মূল নীতি গ্ৰহণ কৰা হৈছে সেই নীতি মতে যিবিলাক অঞ্চল যাতায়তৰ ক্ষেত্ৰত এতিয়াও পিচপৰি আছে কেন্দ্ৰীয় চৰকাৰে তাত বিশেষ চকু দিয়া উচিত। এই ক্ষেত্ৰত আমাৰ এটা অভিজ্ঞতা আছে বিভিন্ন জিলা বিলাকৰ বা মহকুমাবিলাকত যোগান বিভাগে চিমেণ্ট আদি বস্তু বিতৰণৰ দায়িত্ব দিছে। কিন্তু আমি যদি চিমেণ্ট আনিবলৈ যাওঁ কব যে চিমেণ্ট নাই কিয়নো পৰিবহন ব্যৱস্থা ভাল নহয় সেইকাৰণে চিমেণ্ট বাহিৰৰ পৰা আহিব পৰা নাই। ফলত বাইজে পাবলগীয়া বস্তুখিনিও জলাঞ্জলী দিব-লগীয়া হয়। সেইকাৰণে মই আপোনাৰ যোগেদি মুখ্যমন্ত্ৰী তথা মন্ত্ৰী সভাক অনুৰোধ কৰো যেন অসমৰ নিচিনা যাতায়তত পিচপৰা এখন দেশলৈ কেন্দ্ৰীয় চৰকাৰে যাতে সক্ৰিয় সহযোগ আগবঢ়াই তাৰ কাৰণে চেষ্টা কৰিব। অসমৰ কাৰণে যিবিলাক বস্তু বাহিৰৰ পৰা আনিব লগীয়া হয় সেইবিলাক বস্তু যাতে সোনকালে সৰবৰাহ হয় তাৰ কাৰণে ৰেল কতৃপক্ষক আৰু জাহাজ কতৃপক্ষক অনুৰোধ কৰিব লাগে।

আমাৰ ৰবী শষ্য কৃতকাৰ্য্য কৰিবৰ কাৰণে ৰাজস্থান উত্তৰপ্ৰদেশ বিহাৰৰ পৰা প্ৰয়োজনীয় সচ আনিবলগীয়া হৈছিল কিন্তু দুখৰ বিষয় সুদূৰ ৰাজস্থান বিহাৰৰ পৰা সেই সচ সময়মতে আনিব নোৱাৰিলে পৰিবহন ব্যৱস্থাৰ কাৰণে। এই পৰিবহন ব্যৱস্থাৰ কাৰণেই আমাৰ ৰবি শষ্য পাত গলে পীৰা জাৰ গলে জাপিৰ নিচিনা হ'ল গতিকে এই পৰিবহন ব্যৱস্থা উন্নত নহলে আমাৰ আচনিয়ে কৃতকাৰ্য্য নহয়। আজি দুখৰ বিষয় কোনো মহকুমাতে এবেগ চিমেণ্ট নাপায় অথচ এলটমেণ্টও আছে। ফলত বহুতো চৰকাৰী আৰু বেচৰকাৰী কাম পৰি আছে। ইয়াৰ কাৰণ পৰিবহন ব্যৱস্থা। গতিকে অতি শীৰ্ঘে এই পৰিবহন ব্যৱস্থাৰ উন্নতি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ মই আমাৰ চৰকাৰক অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ বিবৃতিত মূল্য বৃদ্ধি সম্পৰ্কে কেইটামান কাৰণ বিশেষণ কৰি দেখুৱাইছে। দেখা যায় এই কাৰণ কেইটা একেটা কাৰণৰ ওপৰতে কেন্দ্ৰীয়ভূত হৈ আছে। সেইটো হ'ল পুজীবাদী, অৰ্থনীতিৰ তত্ব ডিমাণ্ড এণ্ড চাপ্লাই। যোগান যেতিয়া কমে চাহিদা তেতিয়া বৃদ্ধি পায় আৰু বস্তুৰ দাম বাঢ়ে আৰু যোগান যেতিয়া বাঢ়ে আৰু চাহিদা কমে তেতিয়া বস্তুৰ দাম কমে। এই কথা অৰ্থনীতিৰ ছাত্ৰ সকলে ভালকৈ জানে। আমি নিজেও ভুক্তভোগী—যেতিয়া দুখীয়া ক্ৰেতাসকলৰ ওপৰত হেচা পৰে তেতিয়া ব্যবসায়ী শ্ৰেনীয়ে তাৰপৰা মুনাফা লয়। আজি গোটেই ভাৰতবৰ্ষত এই মূল্য বৃদ্ধি সম্পৰ্কে আলোচনা কৰা হৈছে আৰু বিষয়টোৰ ওপৰত জোৰ দিছে কিন্তু তাৰ অন্তৰালত কি ৰহস্য আছে সেই কথা সকলোৱে পাহৰি যায়। যি কেইটা কাৰণ দেখুৱাইছে তাত কোৱা হৈছে যোগান আৰু চাহিদাৰ মাজত সামঞ্জস্য নাই ফলত দাম বাঢ়িছে। যোগান কমি যোৱাৰ কাৰণ হ'ল পৰিবহন ব্যৱস্থাত ত্ৰুটী। এই পৰিবহন ব্যৱস্থাৰ ত্ৰুটীৰ কাৰণে ব্যক্তিগত এক শ্ৰেনীয়ে মুনাফা আদায় কৰি আছে।

বস্তু বেহানী অনা নিয়া কৰাৰ কাৰণে ৰেইলওৱে কৰ্ত্তৃপক্ষই দবা মঞ্জুৰ কৰে, এই দবা মঞ্জুৰ কৰাৰ ক্ষেত্ৰত মুনাফাকাৰী পুঁজিপতি সকলৰ লগত ষড়যন্ত্ৰ কৰি ৰেলওৱে বিভাগে মাজে সময়ে স্বইচ্ছাৰে কৃত্ৰিম অনাটনৰ সৃষ্টি কৰি

সৰ্ব্বসাধাৰণ ৰাইজৰ ওপৰত নানা ধৰণৰ জুলুম জাপি দিয়া কথাটো সকলোৱে জানে। এনেধৰণে ৰেলওৱে বিভাগৰ লগত ব্যক্তিগত মুনাফাকাৰী ব্যৱসায়ী সকলে যোগাযোগ কৰি যোগান পৰিস্থিতিত এটা বিৰাট বিভ্ৰাটৰ সৃষ্টি কৰে। ফলত সৰ্ব্বসাধাৰণ ৰাইজ জুলুমত পৰিবলগীয়া হয় কিন্তু এইটো অতি দুখলগা কথা যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিবৃতিত তেনেধৰণৰ কোনো কথাৰ উল্লেখ নাই।

আজি আমি পৰিবহন ব্যৱস্থাক দোষাৰোপ কৰিছোঁ কিন্তু সেই পৰিবহন ব্যৱস্থাৰ টনকিয়াল কৰাৰ কাৰণে আমি কি ব্যৱস্থা হাতত লৈছো ? অৱশ্যে বানপানীৰ সময়ত কেতিয়াবা আমাৰ ৰাজ্যত ৰেলওৱে পথ বিচ্ছিন্ন হোৱা কথাটো মিছা নহয়, প্ৰাকৃতিক দূৰ্য্যোগৰ ফলত কেতিয়াবা এনেধৰণৰ কৃত্ৰিম অনাটনৰ সৃষ্টি হলে আমি চৰকাৰক কেতিয়াও দোষাৰোপ নকৰো। কাৰণ আজি প্ৰকৃতিক নিয়ন্ত্ৰন কৰাৰ ক্ষমতা আমাৰ ৰাজ্যিক চৰকাৰ কিয় ভাৰত চৰকাৰৰো এতিয়া-লৈকে হোৱা নাই। অৱশ্যে কেতিয়াবা যদি সমাজতান্ত্ৰিক ব্যৱস্থা প্ৰতিষ্ঠিত হয় তেতিয়াহলে কোনোবা সময়ত হয়তো চৰকাৰে প্ৰকৃতিৰ লগত মোকাবিলা কৰিবলৈ কাৰ্য্যকৰী ব্যৱস্থা হাতত লব পাৰিব কিন্তু বৰ্ত্তমান প্ৰতিষ্ঠিত চৰকাৰে পাৰিব বুলি আমাৰ যথেষ্ট সন্দেহ আছে।

যি কি নহওক আজি ৰেলওৱে ব্যৱস্থাৰ কথা কোৱা হৈছে কিন্তু এই প্ৰসঙ্গতে মই সুধিব খুজিছোঁ আজিলৈকে এই ৰেলও'ৱ ব্যৱস্থা টনকিয়াল কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত আমাৰ ৰাজ্যিক চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ? আমাৰ ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এইটো কথা বুজাব নোৱাৰেনে যে যেতিয়ালৈকে আমাৰ ৰাজ্যত ৰেলওৱে ব্যৱস্থাৰ বিশেষ উন্নতি সধা নহয় তেতিয়ালৈকে অসমৰ অৰ্থনৈতিক উন্নতি সাধন কৰা আশা কৰাটো যে আকাশ কুসুম হৈ ৰব। কেন্দ্ৰীয় চৰকাৰক বুজাব নোৱাৰিনে যে সামৰিক তত্পৰতাৰে এই ৰাজ্যখনৰ পৰিবহন ব্যৱস্থাতো উন্নত কৰাৰ ব্যৱস্থা হাতত ততালিকে লব লাগে। মই আশা কৰিছোঁ যাতে আমাৰ ৰাজ্যিক চৰকাৰে গুৰুত্ব সহকাৰে এই পৰিবহন ব্যৱস্থাতো টনকিয়াল কৰাৰ ব্যৱস্থা হাতত লবলৈ কেন্দ্ৰীয় চৰকাৰক বুজা বলৈ চেষ্টা কৰে।

এই কথা মন কৰিবলগীয়া যে য'ৰপৰা বস্তু যোগান ধৰা হয় সেই ঠাইতে বেচিকৈ 'স্কেয়াৰচিটি' হয় আৰু তাতেই দাম বৃদ্ধি কৰোৱাৰ ষড়যন্ত্র চলে। বহুত ষড়যন্ত্রকাৰী মুনাফাকাৰীয়ে উৎপাদনৰ ওপৰত ষৰযন্ত্র চলাই কেতিয়াবা উৎপাদন বৃদ্ধি হোৱা বুলি কয় আৰু কেতিয়াবা কমহোৱা বুলি কয়। এই ব্যৱসায়ীসকলৰ মৰ্জিৰ ওপৰতেই কেতিয়াবা বস্তুৰ উৎপাদন বাঢ়ে আৰু কেতিয়াবা কমে আৰু সেইদৰেই কৃত্রিম অনাটনৰ সৃষ্টি কৰি তেওঁলোকে কলাবজাৰৰ ব্যৱস্থা কৰে। গতিকে যেতিয়া উৎসৰ পৰাই অনাটনৰ সৃষ্টি হয় তেনে অৱস্থাত সেই কথাটো ভালদৰে চিন্তা কৰিব লাগে। উৎসতেই যদি ঘাটি হয় তেনে অৱস্থাতততালিকে তাৰ ব্যৱস্থা লব লাগে।

অৱশ্যে যিবিলাক বস্তু বাহিৰৰ পৰা চালান আহে সেইবিলাক বস্তুৰ উৎপাদনৰ ওপৰত ৰাজ্যিক চৰকাৰৰ কোনো পোনপতিয়া ক্ষমতা নাই সেইটো থিক। গতিকে যিবিলাক বস্তু বাহিৰৰ পৰা আহে সেইবিলাকৰ পৰা অহা কৃত্রিম অনাটন গুচাবৰ কাৰণে চৰকাৰে এটা ব্যৱস্থা হাতত লব পাৰে। উদাহৰণ স্বৰূপে মই কব খুজিছোঁ এই যে লাখ লাখ মোন ডালি বাহিৰৰ পৰা অসমলৈ আহে সেই বৃহৎ পৰিমানৰ ডালি আমি অসমতে নিজেই উৎপাদন কৰি লব পাৰো। চৰকাৰে আজি ইমানদিনে এই কথাটো মন দিয়া নাছিল, আজি যদি অসমৰ বিস্তৃৰ্ণ ব্ৰহ্মপুত্ৰৰ বৃহৎ চৰ এলেকাত আমি ডালি খেতি কৰো তেতিয়াহলে দেখিব ৬ মাহৰ ভিতৰতে অসমৰ প্ৰয়োজনীয় ডালি উৎপাদন কৰিব পৰা হব। কিন্তু আজিলৈকে চৰকাৰে তেনেধৰণৰ ব্যৱস্থা হাতত লোৱা নাই।

আজি কোৱা হৈছে ৰবিশষ্যৰ ব্যৱস্থা হাতত লোৱা হৈছে আৰু তেনেধৰণৰ ফচল উৎপাদন কৰাৰ কাৰণে কি ভাবে উৎসাহ উদ্দীপনা দিব লাগে তাৰো ব্যৱস্থা হাতত লোৱা হৈছে কিন্তু যদি উৎসতেই ঘাটিৰ সৃষ্টি হয় তেনে ক্ষেত্ৰত সেই ঠাইত যাতে কৃষি উৎপাদন বৃদ্ধি কৰিব পাৰো তাৰহে তত্কালীন ব্যৱস্থা হাতত লব লাগে কিয়নো বাহিৰৰপৰা অহা বস্তু-বাহানীৰ ওপৰত আমাৰ কোনো হাত নাই। কৃত্রিম অনাটনৰ কথাটো হৈছে মূল কথা আৰু এই কৃত্রিম অনাটন সৃষ্টি কৰিছে এক শ্ৰেণী মুনাফা চিকাৰী ব্যৱসায়ীয়ে। এইটো অৱশ্যে আনন্দৰ কথা যে বৰ্ত্তমান চৰকাৰে এই কথাটো স্বীকাৰ কৰিছে।

মই এটা দৃষ্টান্ত দিব বিচাৰিছোঁ যে ঘেহুৰ পৰা পাইকাৰী ব্যৱসায় ৰাষ্ট্ৰীয়-কৰণ কৰাৰ আগতে ব্যক্তিগত ব্যৱসায়ীৰ হাতত কোন ঠাইত কিমান ঘেহু জমা আছিল সেই হিচাবটো চৰকাৰৰ হাতত আছে নে ? মই জনাত সেই হিচাবটো চৰকাৰে লোৱা নাই। ঘেহুৰ পাইকাৰী ব্যৱস্থা হাতত লব বুলি চৰকাৰে এটা সাহসিকতাৰ পৰিচয় দিব বিচাৰিছে কিন্তু ঘেহুৰ পাইকাৰী ব্যৱস্থা ৰাষ্ট্ৰীয়কৰণ কৰাৰ আগমুহূৰ্ত্তত ব্যক্তিগত ব্যৱসায়ীৰ হাতত কিমান ঘেহু মজুত আছিল সেইটো হিচাব লোৱা নহল, মই ভাবো দুটা কাৰণত লবপৰা নগল, এটা হৈছে নজনাৰ কৰণে আৰু আনটো হৈছে আমোলা তান্ত্ৰিক যন্ত্ৰটোৱে মজুতকাৰী কলাবেপাৰীৰ লগত যোগাযোগ কৰি এই তথ্য গোপন কৰিছে। মই কব বিচাৰিছোঁ যে এই ঘেহু ৰাষ্ট্ৰীয়কৰণ কৰাৰ আগতে ধুবুৰীত কেবালাখো কুইণ্টল গোমধান মজুত আছিল কিন্তু এই ৰাষ্ট্ৰীয়কৰণ কৰাৰ আগতে লাখ লাখ মোন ঘেহু বাঙ্গলা দেশলৈ আৰু পশ্চিমবঙ্গলৈ চোৰাং ভাৱে চালান কৰিছিল।

উপাধ্যক্ষ : আপুনি কিমান সময় লব ?

শ্ৰীগিয়াচুদ্দীন আহমদ : আৰু ৫ মিনিটমান সময় লাগিব। এতিয়া কথাটো হ'ল যেতিয়া বজাৰত অনাটনৰ সৃষ্টি হ'ল চৰকাৰে ন্যায্য মূল্যৰ দোকান চালু কৰাৰ ব্যৱস্থা হাতত ললে কিন্তু আমি দেখাত এই দোকান বিলাকত কোনো লাগতিয়াল বস্তু পোৱা নাযায়। আকৌ কোৱা হৈছে সমবায় সমীতি সমূহে পাইকাৰী ব্যৱস্থা হাতত লব। ৰাষ্ট্ৰীয়কৰণ কৰাৰ আগতে যথেষ্ট পৰিমানৰ ঘেহু মজুত ৰাখিব লাগিছিল, কিন্তু সেইখিনি দূৰদৰ্শিতা চৰকাৰৰ হোৱা নাই। হয় দূৰদৰ্শিতাৰ অভাৱ নহয়তো ইচ্ছাৰ অভাৱ দুটাৰ এটা হব। ৰাষ্ট্ৰীয়কৰণ কৰাৰ আগতে ব্যক্তিগত ব্যৱসায়ী সকলৰ হাতত যিমান ঘেহু মজুত আছিল সেই সমুদায় ঘেহু 'চিজ' কৰি লোৱাতো উচিত আছিল। এই কৃত্ৰিম অনাটন বন্ধ কৰিবলৈ হলে আমি এই পূজীঁপতি ব্যক্তিগত মুনাফাকাৰী ব্যৱসায়ীসকলৰ ওপৰত নিৰ্ভৰ নকৰি সকলো প্ৰয়োজনীয় বস্তুৰ পাইকাৰী ব্যৱসায় ৰাইজৰ হাতলৈ আনিব লাগিব। আমি একোটা দীৰ্ঘ ম্যাদী ব্যৱস্থা হাতত লব লাগিব। মূল্য বৃদ্ধি ৰোধ কৰিবলৈ হলে তাৰ দ্বাৰাই যাতে আমি বজাৰত বস্তু বাহানীৰ মূল্য বৃদ্ধিৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰো। মই পৰামৰ্শ দিব বিচাৰিছোঁ যে উৎপাদনৰ

ওপৰত ৰাইজৰ যাতে পুৰা দখল থাকে আৰু মুনাফাকাৰী ব্যৱসায়ীয়ে যাতে এনেবোৰ কামৰ ভাগ নাপাই আৰু ৰাইজৰ মাজত অনিশ্চয়তাৰ সৃষ্টি কৰিব নোৱাৰে। মুনাফা বেচি হব নে কম হব সেইটোৰ ওপৰত উৎপাদন নহয় উৎপাদন হব লাগে ক্ৰেতা সকলৰ চাহিদাৰ ওপৰতহে ভিত্তি কৰি আৰু সেইদৰে ইয়াৰ মূল্য নিয়ন্ত্ৰনো কৰা হব। এই মূল্য বৃদ্ধিৰ আন এটা দিশ চাওক সেইটো হ'ল এনে ধৰণৰ, আমাৰ খেতিয়ক সকলে ফচল উৎপাদন কৰি 'কমাৰ্চিয়েল ক্ৰ'প হিচাবে বজাৰত বেচি আকৌ বজাৰৰ পৰা তেওঁলোকৰ যাৱতীয় লাগতিয়াল বস্তু কিনি আনে, কিন্তু যিখিনি বস্তু তেওঁলোকে বজাৰৰ পৰা কিনি আনে সেই খিনিৰ লগত তেওঁলোকৰ উৎপাদিত বস্তুৰ খিনিৰ মূল্যৰ ভাৰসাম্য কোনোমতেই নিমিলেগৈ। উদাহৰণ স্বৰূপে কও আজি যদি এমোন মৰাপাট বিক্ৰী কৰা হয় তাৰে দু মোন ধান কিনিব পৰা হব লাগিব। কিন্তু বৰ্ত্তমানে তাৰ ওলোটাটোহে হৈছে। গতিকে দেখা যায় যে অকল মৰাপাটেই নহয় বিভিন্ন খাদ্য সামগ্ৰীয়েই হওক বা আন ধৰণৰ বস্তু হওক কোনো-টোৰ লগত কোনোটোৰ মূল্যৰ কোনো ভাৰসাম্যতা নাই। ফলত কেউফালে এটা বিৰাট ওলট-পালট লাগি যায়। গতিকে উৎপাদন আৰু মূল্য নিয়ন্ত্ৰনৰ ক্ষমতা ৰাইজৰ হাতত থাকিব লাগে। ব্যক্তিগত মুনাফাকাৰী ব্যৱসায়ীৰ হাতত নহয়। মই কও অকল চাউলৰ ওপৰত ৰাষ্ট্ৰিয়কৰণ কৰিলেই নহব আন আন নিত্য প্ৰয়োজনীয় বয়-বস্তুবোৰো ৰাষ্ট্ৰিয়কৰণ হব লাগে।

ঘেহুঁ যেতিয়া ৰাষ্ট্ৰিয়কৰণ কৰিছে তেতিয়া ঘেহুঁ নাইকীয়া হল, চাউল যেতিয়া ৰাষ্ট্ৰিয়কৰণ কৰিছে তেতিয়া চাউলৰ দাম বৃদ্ধি হৈ গল; চাউল পাবলৈ নোহোৱা হল। ৰাষ্ট্ৰীয়কৰণ নীতি কাৰ্য্যকৰি কৰিবলৈ গৈ ক'ৰবাত ত্ৰুটি বিচ্যুতি হৈছে' ক'ৰবাত চেবোটেজ হৈছে বা চেবোটেজ কৰাৰ কাৰণে আমোলাতন্ত্ৰ আৰু বাহিৰা প্ৰতিক্ৰিয়াশীল শক্তিয়ে চেষ্টা কৰিছে এই সকলোবোৰ ব্যৰ্থ কৰিবলৈ আমাৰ মাত্ৰ এটা পথ আছে সেইটো হৈছে সকলোবিলাক নিত্য প্ৰয়োজনীয় বস্তুৰ ব্যৱসায় ৰাষ্ট্ৰীয়কৰণ কৰা নীতি সম্পূৰ্ণ ৰূপে কাৰ্য্যকৰী কৰাৰ কাৰণে সকলো ৰকমৰ ব্যৱস্থা সামৰিক তৎপতাৰে কৰিব লাগিব। তাৰ বাহিৰে আন কোনো পথ মুকলি হৈ আছে বুলি মই নাভাবো।

## ADJOURNMENT

Mr. Deputy Speaker : The House stands adjourned till 10 A. M. on Monday the 26th November, 1973.

Dispur
The 23rd November 1973

P. D. Barua
Secretary,
Legislative Assembly Assam.